**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিৰোধী পক্ষৰ সদস্যসকলে কেইবাটাও বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ দুয়োখন সদন আজি দিনৰ দুই বজালৈ স্থগিত ৰখা হৈছে।

২। বিদ্যালয়ৰ শিক্ষাৰ্থীৰ নিৰাপত্তাৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ নীতি অৱলম্বন কৰা হ'ব বুলি কেন্দ্ৰীয় শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে প্ৰকাশ কৰিছে।

৩। বিহাৰত ভোটদাতা অধিকাৰ যাত্ৰাৰ অংশ হিচাপে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী আজি ঔৰংগবাদ জিলাৰ ডিঅ'ত উপস্থিত হয়।

৪। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে ভেজাল বীজাণুনাশক সাৰ আৰু বীজ প্ৰস্তুতকাৰী প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মন্তব্য কৰিছে।

আৰু

৫। আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাই পাকিস্তানত পুৰুষ আৰু মহিলা শ্ৰমিকৰ মাজত মজুৰিৰ বৈষম্যৰ ক্ষেত্ৰত দেশখনক দক্ষিণ এছিয়াৰ ভিতৰত নিম্ন স্থান দিছে।

০০০০০০০

বিৰোধী পক্ষৰ সদস্যসকলে কেইবাটাও বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ দুয়োখন সদন আজি দিনৰ দুই বজালৈ স্থগিত ৰখা হৈছে। দিনৰ ১১ বজাত ৰাজ্যসভাৰ অধিৱেশন আৰম্ভ হোৱাৰ পাছতে উচ্চ সদনে যোৱা ১৫ আগষ্টত দেহাৱসান ঘটা নাগালেণ্ডৰ ৰাজ্যপাল, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ লা গণেশনৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। উপ-সভাপতি হৰিবংশে ২০১৬ চনৰ অক্টোবৰৰ পৰা ২০১৮ চনৰ এপ্ৰিললৈ মধ্য প্ৰদেশৰ পৰা উচ্চ সদনক প্ৰতিনিধিত্ব কৰা লা গণেশনৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। উপ-সভাপতিগৰাকীয়ে কয়, যে এগৰাকী জন সেৱক, লেখক সম্পাদক হিচাপে সক্ৰিয়ভাৱে কাৰ্যনিৰ্বাহ কৰা লা গণেশনে তামিলনাডুৰ সামাজিক অস্থিৰতাৰ সময়ছোৱাত সাম্প্ৰদায়িক সম্প্ৰীতি পুনৰুদ্ধাৰৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। উচ্চ সদনে আজি তেওঁৰ বিয়োগত শ্ৰদ্ধা জনাই মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে উপ-সভাপতিগৰাকীয়ে কয়, যে তেওঁ বিহাৰৰ ভোটদাতা তালিকাৰ বিশেষ সংশোধনীকে ধৰি কেইবাটাও বিষয় লৈ ১৯ খন সদন স্থগিত কৰণৰ আবেদন লাভ কৰিছে। এই আবেদনসমূহ নাকচ কৰা হৈছে বুলি উল্লেখ কৰাৰ লগে লগে বিৰোধী পক্ষৰ সদস্যসকলে শ্ল'গান দি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ মাজতে উপ-সভাপতিগৰাকীয়ে শূন্যকাল চলাই নিয়াৰ চেষ্টা চলাই যদিও একেধৰণৰ পৰিস্থিতি অব্যাহত থকাত ৰাজ্যসভাৰ কাম-কাজ বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। দিনৰ ১২ বজাত সদন প্ৰথমবাৰৰ বাবে মিলিত হোৱাৰ পাছত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে জনবিশ্বাস, ব্যৱস্থাৱলী সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। এই বিধেয়কখনৰ জৰিয়তে জীৱন ধাৰণ আৰু ব্যৱসায় পৰিচালনাত সুচল হোৱাকৈ আস্থা নিৰ্ভৰ প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। সদনে ইয়াৰ পাছতে এই বিধেয়কখন সদনৰ বিশেষ সমিতিলৈ পৰৱৰ্তী পৰীক্ষণৰ বাবে প্ৰেৰণ কৰিবলৈ প্ৰস্তাৱ গৃহীত কৰে। এই সমিতিখনে সংসদৰ পৰৱৰ্তী অধিৱেশনৰ প্ৰথম দিনটোতে প্ৰতিবেদন দাখিল কৰে। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি লোকসভাত ভাৰতীয় প্ৰতিষ্ঠান সংশোধনী বিধেয়ক, ২০২৫ উত্থাপন কৰে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে এই বিধেয়কসমূহ উত্থাপন কৰা হয়, যদিও পৰিস্থিতি অপৰিৱৰ্তিত হৈ থকাত অধ্যক্ষই দিনৰ ২ বজালৈ সদন স্থগিত ঘোষণা কৰে। ইয়াৰ আগেয়ে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ লগে লগে বিৰোধী পক্ষৰ সদস্যসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীক লৈ প্ৰতিবাদ সাব্যস্ত কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ

প্ৰতিবাদকাৰীৰ সদস্যসকলক সাৱধান কৰি দি কয়, যে প্ৰতিবাদৰ নামত চৰকাৰী সা-সম্পত্তি নষ্ট কৰিলে তেওঁলোকৰ বিপক্ষে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। দেশৰ জনসাধাৰণে তেওঁলোকৰ কল্যাণমূলক বিষয়সমূহ উত্থাপন কৰাৰ বাবে সংসদৰ সদস্যসকলক নিৰ্বাচিত কৰিছে যদিও সদস্যসকলে সদনৰ কাম-কাজত ব্যাঘাত জন্মাই এই উদ্দেশ্য বিঘ্নিত কৰিছে বুলি অধ্যক্ষই মত প্ৰকাশ কৰে। অধ্যক্ষৰ বাৰম্বাৰ আহ্বানৰ পাছতো হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত সদন দিনৰ ১২ বজালৈ স্থগিত ৰখা হয়।

০০০০০০০০০

কেন্দ্ৰীয় শিক্ষা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে কয়, যে বিদ্যালয়সমূহত শিক্ষাৰ্থীসকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ নীতি অৱলম্বন কৰা হ'ব। লোকসভাৰ প্ৰশ্নকালত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰী চৌধুৰীয়ে কয়, যে এই সন্দৰ্ভত সময়ে সময়ে বিদ্যালয় পৰিষদসমূহ, ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক নিৰ্দেশনা দিয়া হয়। শেহতীয়াকৈ শিক্ষাৰ্থীসকলৰ নিৰাপত্তা সন্দৰ্ভত শিক্ষা মন্ত্ৰালয়ে ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ পত্ৰ প্ৰেৰণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক সমাগত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ত দলৰ সংসদীয় পৰিষদৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে এন ডি এৰ সকলো লোকে এই সিদ্ধান্তৰ সমৰ্থন কৰিছে। শ্ৰীনাড্ডাই লগতে কয়, যে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে বিজেপিয়ে সকলো দলৰ সৈতে সমন্বয় ৰক্ষাৰ প্ৰয়াস কৰিছে। বিগত সপ্তাহত এন ডি এৰ সহযোগী দল আৰু বিৰোধী পক্ষৰ দলসমূহৰ সৈতে এই সন্দৰ্ভত যোগাযোগ কৰা হৈছিল বুলি শ্ৰীনাড্ডাই উল্লেখ কৰে।

কালিৰ বৈঠকত সংসদীয় সমিতিৰ অন্যান সদস্যসকলৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকে। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন অহা ৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাৰ এন ডি এৰ সিদ্ধান্তক আদৰণি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে শ্ৰীৰাধাকৃষ্ণনে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা সেৱাত সমৰ্পণ, বিনম্ৰতা আৰু বুদ্ধিমত্তাৰ জৰিয়তে নিজৰ এটা বিশেষ পৰিচয় গঢ়ি তুলিছে। তামিলনাডুত তৃণমূল পৰ্যায়ত বহু কাম কৰাৰ উপৰি সাংসদ আৰু বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল হিচাপে শ্ৰীৰাধাকৃষ্ণনৰ বহু অভিজ্ঞতা আছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে।

জনতা দল ইউনাইটেডৰ ৰাষ্ট্ৰীয় সভাপতি আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰেও মহাৰাষ্ট্ৰৰ ৰাজ্যপাল শ্ৰী ৰাধাকৃষ্ণণক এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। শ্ৰী কুমাৰে কয়, যে জনতা দল ইউনাইটেডে এই নিৰ্বাচনত শ্ৰী ৰাধাকৃষ্ণণক সমৰ্থন আগবঢ়াব। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এন ডি এ প্ৰাৰ্থীগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০০

বিহাৰত ভোটদাতা অধিকাৰ যাত্ৰাৰ অংশ হিচাপে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী আজি ঔৰংগবাদ জিলাৰ ডিঅ'ত উপস্থিত হয়। তেওঁ বিশ্ববিখ্যাত ডিঅ' সূৰ্য মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়। উল্লেখযোগ্য যে বিহাৰত ভোটদাতা অধিকাৰ যাত্ৰাৰ আজি দ্বিতীয় দিন। ৰাজ্যখনত চলি থকা ভোটদাতা তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ বিৰোধিতাৰে এই যাত্ৰা আৰম্ভ কৰা হৈছে। ইণ্ডি মিত্ৰজোঁটৰ নেতাসকলেও এই যাত্ৰাত অংশগ্ৰহণ কৰিছে। ১৬ দিনীয়া এই যাত্ৰা ২০ খনতকৈও অধিক জিলাৰ মাজেৰে অগ্ৰসৰ হৈ অহা পহিলা ছেপ্তেম্বৰত পাটনাত অন্ত পৰিব। এই যাত্ৰাকালত আজি পুৱাৰ ভাগত ৰাহুল গান্ধীয়ে অম্বা, কুটুম্বা, পাতলগংগা আৰু ঔৰংগাবাদৰ আন আন স্থানসমূহ ভ্ৰমণ কৰে। এই কাৰ্যসূচীত বিহাৰ বিধানসভাৰ বিৰোধী দলপতি তেজস্বী প্ৰসাদ যাদৱ, ৰাজ্যখনৰ কংগ্ৰেছ সভাপতি ৰাজেশ ৰাম আৰু বিকাশশীল ইনচান পাৰ্টীৰ মুৰব্বী মুকেশ চাহানী উপস্থিত আছিল। শ্ৰী গান্ধীয়ে আজি গুৰাৰু, বাগদিহা, ডাউনগৰ, পাঞ্চনপুৰ হৈ গয়াত উপস্থিত হ'ব। নেতাগৰাকীয়ে সন্ধিয়াৰ ভাগলৈ গয়াৰ খালিছ পাৰ্কত এখন জনসভাত অংশ ল'ব।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ভেজাল বীজাণুনাশক সাৰ আৰু বীজ প্ৰস্তুতৰ সৈতে জড়িত প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মন্তব্য কৰিছে। মধ্য প্ৰদেশত ভেজাল ৰাসায়নিক পদাৰ্থ ছটিওৱাৰ বাবে নষ্ট হোৱা ছয়াবিনৰ খেতি পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। এনেধৰণৰ প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে দেশজুৰি অভিযান চলোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী চৌহানৰ নিৰ্দেশ অনুসৰি ভাৰতীয় কৃষি গৱেষণা পৰিষদে লগে লগে এখন অনুসন্ধান সমিতি গঠন কৰিছে।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা- ILO-ই পাকিস্তানত পুৰুষ আৰু মহিলা শ্ৰমিকৰ মাজত মজুৰিৰ বৈষম্যৰ ক্ষেত্ৰত দেশখনক দক্ষিণ এছিয়াৰ ভিতৰত নিম্ন স্থান দিছে। দেশখনৰ শ্ৰমিক বজাৰৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া বৈষম্যৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰি এই স্থান দিয়া হৈছে। ILOৰ আন্তঃৰাষ্ট্ৰীয় মজুৰি প্ৰতিবেদনত প্ৰকাশ পোৱা মতে পাকিস্তানৰ মহিলা শ্ৰমিকসকলে পুৰুষৰ তুলনাত গড়ে ৩৪ শতাংশ কমকৈ উপাৰ্জন কৰে। এই ব্যৱধান ভাৰত, বাংলাদেশ, শ্ৰীলংকা, নেপাল আদি দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় গড় ব্যৱধানতকৈও নিম্নমানৰ। বিভিন্ন দেশে এনেধৰণৰ ব্যৱধান হ্ৰাস কৰাৰ বাবে ক্ৰমাগতভাৱে প্ৰচেষ্টা চলাই আহিছে যদিও পাকিস্তানত এইক্ষেত্ৰত কোনোধৰণৰ উন্নতি পৰিলক্ষিত হোৱা নাই। দেশখনৰ কৃষি আৰু ঘৰুৱা উৎপাদন খণ্ডৰ লগতে বিভিন্ন খণ্ডত কৰ্মৰত মহিলাসকলে পুৰুষতকৈ লক্ষণীয়ভাৱে কম উপাৰ্জন কৰে।

০০০০০০০০০

ছত্তিশগড়ৰ বাষ্টাৰ খণ্ডৰ বিজাপুৰ জিলাত আজি মাওবাদীয়ে ঘটোৱা বিস্ফোৰণত নিৰাপত্তা বাহিনীৰ এজন জোৱান নিহত হোৱাৰ লগতে আন তিনিজন আহত হয়। ৰাষ্ট্ৰীয় উদ্যান এলেকাত এই বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। আহত জোৱানসকল বিপদমুক্ত বুলি জানিব পৰা গৈছে।

০০০০০০০০০

ইউৰোপীয় শীৰ্ষ নেতাসকলে আজি ৱাশ্বিংটনত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিক আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত সংগ দিব। ইউক্ৰেইনত চলি থকা যুদ্ধৰ শীঘ্ৰে সমাধানৰ বাবে এই বৈঠকৰ আয়োজন কৰা হৈছে। এই উচ্চপৰ্যায়ৰ ইউৰোপীয় প্ৰতিনিধিসকলৰ ভিতৰত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ছাৰ কেইৰ ষ্টাৰমাৰ, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জ, ইউৰোপীয় আয়োগৰ সভাপতি উৰ্চুলা ভন ডেৰ লেয়েন আৰু NATOৰ সাধাৰণ সচিব মাৰ্ক ৰুট আছে। এই নেতাসকলে ইউক্ৰেইনত জেলেনস্কিৰ শাসন পুনৰ সুদৃঢ় কৰাৰ লগতে কোনোধৰণৰ প্ৰস্তাৱিত শান্তি চুক্তিয়ে যাতে ইউক্ৰেইনৰ সাৰ্বভৌমত্ব আৰু দীৰ্ঘদিনীয়া সুৰক্ষা ব্যৱস্থা ধ্বংস কৰিব নোৱাৰে সেয়া নিশ্চিত কৰিব বুলি আশা কৰিছে। ইপিনে সামাজিক মাধ্যমৰ এটা বাৰ্তাত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে **ৰাছিয়া সন্দৰ্ভত বিশেষ অগ্ৰগতি** বুলি উল্লেখ কৰে যদিও এইক্ষেত্ৰত কোনো বিৱৰণ নিদিয়ে। ইয়াৰ ফলত ইউক্ৰেইন-ৰাছিয়াৰ সংঘৰ্ষ সন্দৰ্ভত বিভিন্ন দিশত অনুমান বৃদ্ধি হৈছে।

০০০০০০০

**সমাপ্ত**